জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭০/২০২১

# মৰাণ জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ২৯ জানুৱাৰী ঃ** আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মৰাণ জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি সকলৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত মৰাণ জনগোষ্ঠীৰ বিভিন্ন সমস্যা সম্পৰ্কত বিতংভাৱে আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীক প্ৰগতিৰ পথত ক্ষিপ্ৰতাৰে আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। তেওঁ কয় যে শিক্ষাৰ ক্ষেত্ৰত আমি প্ৰাধন্য দিব লাগিব। মেধাৰ ভিত্তিত যাতে যোগ্যতা আহৰণ কৰিব লাগে তেনে মানসিকতাৰে আগুৱাই নিব লাগিব। মৰাণ জনগোষ্ঠীৰ মৌলিক বিষয়সমূহ সমাধান কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। বীৰ ৰাঘৱ মৰাণৰ নামত বৰ্তমানৰ ৰাজ্য চৰকাৰে প্ৰথম বাৰৰ বাবে ৰাজ্যিক ভিত্তিক বঁটা প্ৰদান কৰিছে। ইয়াৰ জৰিয়তে জনগোষ্ঠীটোক উপযুক্তভাৱে স্বীকৃতি প্ৰদান কৰা হৈছে বুলিও তেওঁ কয়। অনন্তনালা, হাতীঘুলিৰ বান আৰু গৰাখহনীয়া সমস্যা সমাধানৰ দিশটো ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ কয়।

আজিৰ এই বৈঠকত বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষান, সাংসদ প্ৰদান বৰুৱা, বিধায়ক বলীন চেতিয়া, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ উপস্থিত থাকে। সভাত সদৌ মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি অৰুণজ্যোতি মৰাণ উপস্থিত থাকে।

বৈঠকত মৰাণ জনগোষ্ঠীৰ অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ, মৰাণ জাতীয় মহিলা পৰিষদ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ আৰু মৰাণ সাহিত্য সভাৰ প্ৰতিনিধিসকল উপস্থিত আছিল।

**পুঃডেঃ**
**২৯/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in